# Functions of Communication

বিশিষ্ট সাংযোগবিদ লি থায়াৰ (**Lee Thayer, 1968**) ৰে যোগাযোগৰ কাৰ্য্যাৱলীক চাৰিটা প্ৰধান ভাগত ভাগ কৰিছে। সেইকেইটা হৈছে—

যোগাযোগৰ কাৰ্য্য (Functions of Communication)

- বাৰ্ত্তামূলক কাৰ্য্য (Information function)
- আদেশ বা উপদেশমূলক কাৰ্য্য (Command or Instructive function)
- প্ৰভাৱ বা প্ৰবৃত্তিমূলক কাৰ্য্য (Influence or Persvasive function)
- অখণ্ডতামূলক কাৰ্য্য (Integrative function)

(১) বাৰ্ত্তামূলক কাৰ্য্য (Information function)

(২) আদেশ বা উপদেশমূলক কাৰ্য্য (Command or Instructive function)

(৩) প্ৰভাৱ বা প্ৰবৃত্তিমূলক কাৰ্য্য (Influence or Persvasive function)

(৪) অখণ্ডতামূলক কাৰ্য্য (Integrative function)

**(১) বাৰ্তামূলক কাৰ্য্য** (Information Function)ঃ বাৰ্তা হৈছে যোগাযোগ প্ৰক্ৰিয়াৰ মুল ভিত্তি। যোগাযোগৰ তাৎপৰ্য্য বহন কৰে একো একোটা বাতৰি। গ্ৰাহকে বাৰ্তাকে গ্ৰহন কৰি কাৰ্য্যত ৰূপায়ন কৰে। গৃহবিজ্ঞান সম্প্ৰসাৰণৰ যোগাযোগ ব্যৱস্থাত পুৰণি চিন্তা ধাৰা আৰু পদ্ধতিৰ লগত সংগতি ৰাখি নতুন চিন্তাদাৰা আৰু প্ৰযুক্তিমূলক

পদ্দতিৰ বিষয়ে গ্ৰাহকক প্ৰেৰণ কৰা হয়। এই বাৰ্তাসমূহ স্বাস্থ্য শিশুৰ যতন ,ৰন্ধন প্ৰক্ৰিয়া, স্বাস্থ্য বিজ্ঞান, সাজপোছাক আদিৰ মাধ্যমেৰে এজন ব্যক্তিয়ে আন এজনৰ লগত যোগাযোগ কৰিব।

(২) **আদেশ আৰু উপদেশমূলক কাৰ্য্য** (Command and advice function) ঃ- যোগাযোগৰ এইবিধ কাৰ্য্য অতি লক্ষণীয় কিয়নো আনুষ্ঠানিক প্ৰতিষ্ঠান সমূহত দেখা যায়। এই ক্ষেত্ৰত যোগাযোগ নিম্নমুখী। সেই দৰে নিয়মভিত্তিক যোগাযোগক নিম্ন স্তৰৰ ব্যক্তিয়ে উৰ্ধতম পক্ষলৈ সংবাদ পঠায়,তেতিয়া যোগাযোগ দৃঢ়তা ব্যঞ্জক আৰু ইয়াত নমনীয়তাৰ স্থান খুব কম। আনুষ্ঠানিক যোগাযোগৰ বাহিৰেও অনেক ক্ষেত্ৰত নিয়ম বহিভুত যোগাযোগ সংঘটিত হয়। এই যোগাযোগ প্ৰতক্ষ্য আৰু নমনীয়।

(৩) **প্ৰভাৱ আৰু প্ৰবৃত্তিমূলক কাৰ্য্য** (Influence Function)ঃ যোগাযোগৰ জৰিয়তে সম্প্ৰসাৰণ কৰ্মীজনে গাঁৱৰ লোকসকলৰ মাজত তথ্য জ্ঞান, ধাৰণা, অনুভূতি মনোভাৱ আৰু আবেগৰ আদান-প্ৰদান সংঘটিত কৰে। যেনে সম্প্ৰসাৰণ আৰু গাঁৱৰ লোকসকলৰ মাজত ঘটা আন্তঃক্ৰিয়া আলোচনা চক্ৰ, কৰ্মশালা ইত্যাদি।

(৪) **অখণ্ডতামূলক কাৰ্য্য** ঃ এই কাৰ্য্য সংগ্ৰাহক আৰু প্ৰেৰকৰ পৰস্পৰৰ মাজত ঘটা দ্বি-পাক্ষিক প্ৰক্ৰিয়া। এনে কাৰ্য্যৰ বাবে একান্ত বুজাবুজিৰ প্ৰয়োজন হয় যাতে সংগ্ৰাহক আৰু প্ৰেৰকৰ মাজত শাৰীকিৰভাৱে পৃথক হ'লেও অখণ্ডতামূলক কাৰ্য্য ফলপ্ৰসূ হোৱাত অৰিহণা যোগায়। উদাহৰণ স্বৰূপে সম্প্ৰসাৰণ কৰ্মি আৰু গাওঁবাসীৰ মাজত হোৱা যোগা যোগহ হ'ল অখণ্ডতামূলক কাৰ্য্য।